**REGIONAL NEWS UNIT**
AKASHVANI :: GUWAHATI
0000000000

**Date :** 15-09-2024
**Time :** 1845 Hrs

**Assamese Evening Bulletin**
***Headlines***

**::::::::::::::::::::::::::::::**

১।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৰাঁচীত ভাৰ্চুৱেল ব্যৱস্থাৰে প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ হিতাধিকাৰীসকললৈ প্ৰথম কিস্তিৰ ধন মুকলি।

২।	অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ প্ৰথম দিনৰ পৰীক্ষা শান্তিপূৰ্ণভাৱে সম্পন্ন। নিয়াৰিকৈ পৰীক্ষা পৰিচালনা কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ সংশ্লিষ্ট সকলোকে ধন্যবাদ জ্ঞাপন।

৩।	বহনক্ষম উন্নয়নৰ লক্ষ্য ২০৩০ ত উপনীত হোৱাৰ দিশত অসমে গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰিছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

৪।	দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ মুখ্যমন্ত্ৰী পদ ত্যাগৰ ঘোষণা। *আৰু*

৫।	উদীয়মান বেডমিণ্টন খেলুৱৈ অনমোল খাৰ্বৰ বেলজিয়ান ইণ্টাৰনেচনেল ২০২৪ প্ৰতিযোগিতাত খিতাপ দখল।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাঁচীত ভাৰ্চুৱেল ব্যৱস্থাৰে প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ হিতাধিকাৰীসকললৈ প্ৰথম কিস্তিৰ ধন মোকলাই দিয়ে। হিতাধিকাৰীসকলৰ বেংক একাউণ্টলৈ ৩২ কোটি টকা ডিজিটেল ব্যৱস্থাৰে হস্তান্তৰিক কৰা হয়। ইয়াৰ উপৰি ৩২ হাজাৰ বাসগৃহৰ আৱণ্টনপত্ৰ বিতৰণ কৰা হয়। হিতাধিকাৰীসকলৰ বাবে নতুনকৈ নিৰ্মাণ কৰা ৪৬ হাজাৰ বাসগৃহৰ গৃহ প্ৰৱেশ অনুষ্ঠানো সম্পন্ন কৰা হয়। জনসাধাৰণক সম্বোধন কৰি শ্ৰীমোদীয়ে কয় যে, পৰৱৰ্তী ৫ বছৰত ২ কোটি অতিৰিক্ত বাসগৃহ নিৰ্মাণ কৰা হ'ব। তেওঁ কয় যে, দেশৰ জনজাতীয়, বঞ্চিত, নিপিড়ীত, দলিত, দিব্যাংগ আৰু মহিলাসকলক বিশেষ অগ্ৰাধিকাৰ প্ৰদান কৰা হৈছে। প্ৰধানমন্ত্ৰী আৱাস যোজনাই সংশ্লিষ্ট এলেকাসমূহৰ কাম-কাজ ত্বৰান্বিত কৰিব আৰু কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে মত প্ৰকাশ কৰে। ইয়াৰ পাছত প্ৰধানমন্ত্ৰীয়ে জামছেদপুৰৰ গোপাল ময়দানত আয়োজিত এখন জনসভাত অংশগ্ৰহণ কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাঁচী বিমান বন্দৰৰ পৰা ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে ৬ খন বন্দে ভাৰত ৰেলগাড়ীৰ যাত্ৰাৰ শুভাৰম্ভ কৰে। পূৰ্বতে জামছেদপুৰৰ পৰা এই বন্দে ভাৰত ৰেলগাড়ীকেইখনৰ যাত্ৰাৰ শুভাৰম্ভ কৰাৰ কথা আছিল যদিও ধাৰাষাৰ বৰষুণৰ বাবে প্ৰধানমন্ত্ৰী জামছেদপুৰত উপস্থিত হ'ব নোৱাৰাত ৰাঁচীৰ পৰাই ৰেলগাড়ীকেইখনৰ যাত্ৰাৰ শুভাৰম্ভ কৰে। শ্ৰীমোদী জামছেদপুৰলৈ ৰাওনা হোৱাৰ উদ্দেশ্যে পুৱাৰ ভাগত ৰাঁচী বিমানবন্দৰত উপস্থিত হয় যদিও প্ৰতিকূল বতৰ আৰু দৃশ্যমানতা হ্ৰাস পোৱাৰ বাবে যাত্ৰা বাতিল কৰিবলগীয়া হয়। প্ৰধানমন্ত্ৰীয়ে লগতে ৬৬০ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া ঝাৰখণ্ডৰ কেইবাটাও ৰেল প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু উদ্বোধন কৰে। ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে জনসাধাৰণক সম্বোধন কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, বন্দে ভাৰত ৰেলগাড়ীসমূহৰ চলাচলে ঝাৰখণ্ড আৰু চুবুৰীয়া ৰাজ্যসমূহকে ধৰি পূব ভাৰতৰ অৰ্থনৈতিক আৰু সাংস্কৃতিক গতিবিধি ত্বৰান্বিত কৰিব। এই ৰেলগাড়ীসমূহে পৰ্যটন ক্ষেত্ৰৰ প্ৰসাৰতো সহায় কৰিব আৰু কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

০০০০

অসম প্ৰত্যক্ষ নিযুক্তি আয়োগৰ অধীনৰ ৰাজ্যিক পৰ্যায়ৰ নিযুক্তিৰ প্ৰথম দিনৰ পৰীক্ষা শান্তিপূৰ্ণভাৱে আৰু নিয়াৰিকৈ সম্পন্ন হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে ৰাজ্য চৰকাৰৰ সকলো বিষয়া-কৰ্মচাৰীৰ লগতে সংশ্লিষ্ট সকলোকে ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয় যে ৰাজ্য চৰকাৰে চৰকাৰী চাকৰিত নিযুক্তিৰ ক্ষেত্ৰত স্বচ্ছতা বৰ্তাই ৰখাৰ প্ৰতি বদ্ধপৰিকৰ। ভৱিষ্যতেও এনে ধৰণে নিকা ব্যৱস্থাৰে পৰীক্ষা অনুষ্ঠিত কৰি যুৱক-যুৱতীসকলক নিয়োগৰ সুবিধা দিয়া হ'ব বুলি তেওঁ উল্লেখ কৰে। উল্লেখযোগ্য যে ৰাজ্যৰ ২ হেজাৰ ৩০৫ টা পৰীক্ষা কেন্দ্ৰত অনুষ্ঠিত এই পৰীক্ষাত এঘাৰ লাখ ২৩ হাজাৰৰো অধিক পৰীক্ষাৰ্থী অৱতীৰ্ণ হয়। এই পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে ৰাজ্য চৰকাৰে সকলো ব্যৱস্থা গ্ৰহণ কৰে। তদুপৰি এই পৰীক্ষাত অসাধু উপায় অৱলম্বন কৰাটো ৰোধ কৰাৰ বাবে কঠোৰ ব্যৱস্থা লোৱা হয়। ইয়াৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে আজি পুৱা ১০ বজাৰ পৰা দিনৰ ডেৰ বজালৈ মোবাইল ইণ্টাৰনেট, মোবাইল ডাটা আৰু ৱাইফাই সেৱা ব্যাহত ৰাখে।

০০০০

অসমে বহনক্ষম উন্নয়নৰ লক্ষ্য ২০৩০ত উপনীত হোৱাৰ দিশত গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। বিভিন্ন উন্নয়নমূলক আঁচনিৰ কাৰ্যকৰী ৰূপায়ণৰ জৰিয়তে অসমে দৰিদ্ৰতাৰ সৈতে মোকাবিলা কৰি এই লক্ষ্যৰ প্ৰথম স্তৰ সফলতাৰে অতিক্ৰম কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। এই স্তৰত চাহ বাগিছাৰ লোকসকলৰ বাবে দক্ষতা বিকাশ আৰু উদ্যমিতা বিকাশৰ বাবে সাহায্যমূলক ধনৰাশি আবণ্টন দিয়া হৈছিল। চাহ বাগিছাৰ মহিলাসকলক স্বাৱলম্বী হোৱাৰ বাবে বিত্তীয় সাহায্য প্ৰদান কৰা হৈছিল। ইপিনে, শ্বহীদ দয়াল দাস পানিকা স্বনিয়োজন আঁচনিৰ অধীনত চাহ জনগোষ্ঠীৰ যুৱকসকলৰ স্বনিয়োজনৰ বাবে বিত্তীয় সাহায্য প্ৰদান কৰা হৈছিল। মহাত্মা গান্ধী

ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিতকৰণ আঁচনিৰ অধীনতো এই লোকসকলক উপাৰ্জনৰ সুবিধা দিয়া হৈছিল। একেদৰে আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা আৰু আয়ুষ্মান অসম মুখ্যমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত প্ৰতিটো হিতাধিকাৰী পৰিয়ালক নগদ ধনবিহীন চিকিৎসা সুবিধা প্ৰদানৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে সফলতা অৰ্জন কৰিছে।

০০০০

দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে মুখ্যমন্ত্ৰীৰ পদৰ পৰা দুদিনৰ পাছত পদত্যাগ কৰিব বুলি ঘোষণা কৰিছে। আজি দলৰ কাৰ্যালয়ত অনুষ্ঠিত এটা কাৰ্যসূচীত আম আদমী পাৰ্টীৰ নেতাগৰাকীয়ে এই  সিদ্ধান্ত অৱগত কৰে। শ্ৰীকেজৰিৱালে অহা কেইদিনমানৰ ভিতৰতে আম আদমী পাৰ্টীৰ বিধায়কসকলৰ এখন বৈঠক অনুষ্ঠিত কৰি নতুন মুখ্যমন্ত্ৰী সন্দৰ্ভত সিদ্ধান্ত লোৱা হ'ব বুলিও জানিবলৈ দিয়ে।

তেওঁ লগতে অহা বছৰ ফেব্ৰুৱাৰীত হ'বলগীয়া দিল্লী বিধানসভাৰ নিৰ্বাচন নৱেম্বৰত মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনৰ সৈতে অনুষ্ঠিত কৰিবলৈ দাবী জনায়। ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত থকা আম আদমী পাৰ্টীৰ কাৰ্যালয়ত দলীয় কৰ্মীক সম্বোধন কৰি শ্ৰীকেজৰিৱালে কয় যে, জনসাধাৰণে ৰায় নিদিয়ালৈকে তেওঁ মুখ্যমন্ত্ৰীৰ আসনত নবহে। উল্লেখযোগ্য যে উচ্চতম ন্যায়ালয়ে দিল্লী আৱকাৰী নীতি গোচৰত যোৱা শুকুৰবাৰে শ্ৰীকেজৰিৱালক জামিন প্ৰদান কৰিছে।

০০০০

আজি অভিযন্তা দিৱস। মহান অভিযন্তা ছাৰ এম বিশ্বেশ্বৰৈয়াৰ জয়ন্তীৰ লগত সংগতি ৰাখি পালন কৰা এই দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰযুক্তি খণ্ডৰ বিশেষজ্ঞসকলক শুভেচ্ছা জনায়। প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমৰ এটা পোষ্টৰ জৰিয়তে প্ৰগতি, উদ্ভাৱন আৰু জটিল প্ৰত্যাহ্বানৰ সমাধানৰ ক্ষেত্ৰত অভিযন্তাসকলৰ অৱদানৰ কথা স্বীকাৰ কৰে। ছাৰ এম বিশ্বেশ্বৰৈয়ালৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি শ্ৰীমোদীয়ে কয় যে, অভিযান্ত্ৰিক ক্ষেত্ৰত তেওঁ আগবঢ়াই থৈ যোৱা অৱদানে আজিও দেশৰ লাখ লাখ লোকক অনুপ্ৰাণিত কৰি আহিছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও অভিযন্তা দিৱস উপলক্ষে প্ৰযুক্তিৰ সৈতে জড়িত সকলোকে অভিনন্দন জনাই কয় যে, বিকাশ আৰু উদ্ভাৱনৰ ক্ষেত্ৰত অভিযন্তাসকল এখন দেশৰ মেৰুদণ্ডস্বৰূপ। প্ৰগতিৰ দিশে অগ্ৰসৰ ভৱিষ্যত গঢ়াৰ দিশত অভিযন্তাসকলৰ অৱদানৰ বিষয়েও তেওঁ উল্লেখ কৰে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাইও ছাৰ এম বিশ্বেশ্বৰৈয়াৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি সামাজিক মাধ্যমযোগে ৰাষ্ট্ৰ নিৰ্মাণৰ কাৰিকৰ অভিযন্তাসকলৰ অৱদানক স্বীকৃতি প্ৰদান কৰে।

০০০০

ভাৰতে ২০৩০ চনৰ ভিতৰত অজীৱাশ্ম উৎসৰ পৰা আহৰণ কৰা শক্তিৰে বিদ্যুৎ শক্তি সামৰ্থ্য ৫০০ গিগাৱাটলৈ বৃদ্ধিৰ লক্ষ্য লৈছে আৰু ইয়াৰ বাবে ১০০ শতাংশ প্ৰত্যক্ষ বিদেশী বিনিয়োগত অনুমোদন জনাইছে। কেন্দ্ৰীয় নতুন আৰু নবীকৰণযোগ্য শক্তি দপ্তৰৰ মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে বিশ্ব সৰ্ববৃহৎ গণতন্ত্ৰ আৰু দ্ৰুত বিকশিত ৰাষ্ট্ৰ হিচাপে ভাৰতৰ নবীকৰণযোগ্য শক্তি আহৰণৰ যাত্ৰাই অন্য উন্নয়নশীল অৰ্থনীতিৰ ৰাষ্ট্ৰসমূহক বহনক্ষমতা আহৰণৰ পথত অগ্ৰসৰ হ'বলৈ উৎসাহিত কৰিব। ভাৰতে ২০৭০ চনৰ ভিতৰত শূণ্য কাৰ্বন নিৰ্গমনৰ লক্ষ্যত উপনীত হোৱাৰ বাবে কাম কৰি আছে বুলিও তেওঁ উল্লেখ কৰে। তেওঁ কয় যে শক্তিশালী নীতি নিৰ্ধাৰণ আৰু আন্তঃৰাষ্ট্ৰীয় অংশীদাৰিত্বৰ ফলত দেশৰ নবীকৰণযোগ্য শক্তি আহৰণৰ যাত্ৰা সূচল হৈ উঠিছে। উদাহৰণস্বৰূপে মন্ত্ৰীগৰাকীয়ে ভাৰত আৰু ফ্ৰান্সে অংশীদাৰিত্বৰে লোৱা আন্তঃৰাষ্ট্ৰীয় সৌৰ সহযোগিতাৰ পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। উল্লেখযোগ্য যে ২০১৫ চনৰ পেৰিচ জলবায়ু পৰিৱৰ্তন শীৰ্ষ সন্মিলনত গ্ৰহণ কৰা সেউজ পৃথিৱী গঢ়ি তোলাৰ বাবে গ্ৰহণ কৰা সংকল্প পূৰণৰ দিশে পদক্ষেপ লোৱা ভাৰতেই একমাত্ৰ ৰাষ্ট্ৰ বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা মাহত উল্লেখ কৰিছিল।

০০০০০০০

জম্মু-কাশ্মীৰৰ উপ  ৰাজ্যপাল মনোজ সিনহাই আজি কামাখ্যা মন্দিৰ দৰ্শন কৰে। মন্দিৰৰ দলৈ আৰু পৰিচালনা সমিতিৰ সম্পাদকে উপৰাজ্যপালগৰাকীক গামোচা আৰু স্মাৰক চিহ্নৰে আদৰণি জনায়।  শ্ৰীসিনহাই কামাখ্যা মন্দিৰত আধ্যাত্মিক অনুভূতি আৰু পাৰম্পৰিক ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন কৰে।

০০০০০০০

বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে আজি কোকৰাঝাৰ জিলাৰ অন্তৰ্গত মাগুৰমাৰিত ৰাভা জনগোষ্ঠীৰ এটা অতিথিশালা নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে। অনুষ্ঠানটিত কোকৰাঝাৰৰ  বিধায়ক লৰেন্স ইছলাৰীও অংশগ্ৰহণ কৰে।

০০০০০০০

পশ্চিমবংগৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ সন্দীপ ঘোষ তথা তালা আৰক্ষী থানাৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত   বিষয়া অভিজিৎ মণ্ডলক আজি ৩ দিনৰ বাবে চি বি আইৰ জিম্মালৈ প্ৰেৰণ কৰা হয়।  দুয়োজন অভিযুক্তকে আজি শিয়ালদহ আদালতত হাজিৰ কৰোৱা হয়। উল্লেখযোগ্য যে দুয়োজন অভিযুক্তকে কালি নিশা আৰ জি কৰ চিকিৎসা মহাবিদ্যালয়ত সংঘটিত ধৰ্ষণ আৰু হত্যাৰ গোচৰত চি বি আইয়ে গ্ৰেপ্তাৰ কৰিছিল।

০০০০০০০

পবিত্ৰ ভাদ মাহৰ আজি শেষৰটো দেওবাৰে অসমৰ বিভিন্ন ঠাইৰ সত্ৰ আৰু ৰাজহুৱা নামঘৰসমূহত দৰ্শনাৰ্থীৰ ভীৰ পৰিলক্ষিত হয়। ভকত বৈষ্ণৱ আৰু গোপীনীসকলৰ হৰিনামৰ ধ্বনিৰে সত্ৰ-নামঘৰসমূহ মুখৰিত হৈ পৰে। মাহৰ শেষৰটো দেওবাৰে যোৰহাট জিলাৰ ঐতিহাসিক

ঢেকিয়াখোৱা বৰনামঘৰতো লক্ষাধিক দৰ্শনাৰ্থীয়ে প্ৰসংগ আৰু নামত অংশগ্ৰহণ কৰে। একেদৰে গোলাঘাটৰ আঠখেলিয়া বৰনামঘৰ, যোৰহাটৰ মইনাপৰীয়া নামঘৰ, নগাওঁৰ বৰদোৱা সত্ৰ, বৰপেটাৰ কীৰ্তনঘৰ, কোচবিহাৰৰ মধুপুৰ সত্ৰকে ধৰি ঐতিহাসিক ধৰ্মস্থানসমূহত ভক্তসকলে হৰিনামত নিজকে বিলীন কৰি দিয়া দেখিবলৈ পোৱা যায়। মহানগৰীতো বিভিন্ন নামঘৰ আৰু হৰিমন্দিৰসমূহতো ভক্তপ্ৰাণ ৰাইজে বন্তি প্ৰজলন কৰাৰ লগতে গুৰু দুজনাই প্ৰদৰ্শন কৰি যোৱা পৰম্পৰা অনুসৰণ কৰি নামকীৰ্তনত অংশগ্ৰহণ কৰে।

ooooooo

গোলাঘাট ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় প্ৰাঙ্গনত বিগত বছৰসমূহৰ দৰে চলিত বছৰতো ভাদ মহীয়া নাম আৰু ভাওনা প্ৰদৰ্শন কাৰ্যসূচী হাতত লোৱা হয়। জিলা আয়ুক্তই উদ্বোধন কৰা কাৰ্যসূচীৰ অংশ হিচাপে মৎস্য অৱতাৰ আৰু চাৰিবেদ উদ্ধাৰ শীৰ্ষক ভাওনাখন প্ৰদৰ্শন কৰা হয়। সহস্ৰাধিক দৰ্শকৰ উপস্থিতিত অনুষ্ঠিত এই কাৰ্যসূচীয়ে অসমীয়া পৰম্পৰা নৱপ্ৰজন্মৰ মাজলৈ আগবঢ়াই নিয়াত সহায় কৰিব বুলি স্থানীয় ৰাইজে মত প্ৰকাশ কৰে।

ooooooo

আজি অভিযন্তা দিৱস। মহান অভিযন্তা ছাৰ এম বিশ্বেশ্বৰৈয়াৰ জয়ন্তীৰ লগত সংগতি ৰাখি পালন কৰা এই দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰযুক্তি খণ্ডৰ বিশেষজ্ঞসকলক শুভেচ্ছা জনায়। প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমৰ এটা পোষ্টৰ জৰিয়তে প্ৰগতি, উদ্ভাৱন আৰু জটিল প্ৰত্যাহ্বানৰ সমাধানৰ ক্ষেত্ৰত অভিযন্তাসকলৰ অৱদানৰ কথা স্বীকাৰ কৰে। ছাৰ এম বিশ্বেশ্বৰৈয়ালৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি শ্ৰীমোদীয়ে কয় যে, অভিযান্ত্ৰিক ক্ষেত্ৰত তেওঁ আগবঢ়াই থৈ যোৱা অৱদানে আজিও দেশৰ লাখ লাখ লোকক অনুপ্ৰাণিত কৰি আহিছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও অভিযন্তা দিৱস উপলক্ষে প্ৰযুক্তিৰ সৈতে জড়িত সকলোকে অভিনন্দন জনাই কয় যে, বিকাশ আৰু উদ্ভাৱনৰ ক্ষেত্ৰত অভিযন্তাসকল এখন দেশৰ মেৰুদণ্ডস্বৰূপ। প্ৰগতিৰ দিশে অগ্ৰসৰ ভৱিষ্যত গঢ়াৰ দিশত অভিযন্তাসকলৰ অৱদানৰ বিষয়েও তেওঁ উল্লেখ কৰে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাইও ছাৰ এম বিশ্বেশ্বৰৈয়াৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি সামাজিক মাধ্যমযোগে ৰাষ্ট্ৰ নিৰ্মাণৰ কাৰিকৰ অভিযন্তাসকলৰ অৱদানক স্বীকৃতি প্ৰদান কৰে।

ooooooo

দেশৰ উদীয়মান বেডমিণ্টন তাৰকা অনমোল খাৰ্বেইয়ে আজি লিউভেনত অনুষ্ঠিত বেলজিয়ান ইণ্টাৰনেচনেল ২০২৪ প্ৰতিযোগিতাৰ মহিলাৰ একক শাখাত জয়লাভ কৰি প্ৰথমটো চিনিয়ৰ আন্তঃৰাষ্ট্ৰীয় খিতাপ দখল কৰিবলৈ সমৰ্থ হয়। ১৭ বছৰীয়া খেলুৱৈগৰাকীয়ে ডেনমাৰ্কৰ প্ৰতিদ্বন্দ্বিক ২৪-২২, ১২-২১ আৰু ২১-১০ পইণ্টত পৰাস্ত কৰে।

ooooooo

গুৱাহাটীৰ বৰঝাৰ নিবাসী ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত বিষয়া গোপাল চন্দ্ৰ ভট্টাচাৰ্যৰ যোৱা নিশা বাৰ্ধক্যজনিত কাৰণত নিজ বাসভৱনত দেহাৱসান ঘটে। মৃত্যুৰ সসময়ত তেওঁৰ বয়স আছিল ৮৩ বছৰ।

ooooooo

ৰাজ্য চৰকাৰে গ্ৰহণ কৰা জনকল্যাণমূলক পদক্ষেপসমূহৰ সবিশেষ, দেশৰ স্বাস্থ্য খণ্ডৰ খবৰ, জিলাসমূহৰ অভিভাৱক মন্ত্ৰীসকলৰ দায়িত্বৰ সালসলনিৰ সবিশেষ, প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ প্ৰস্তুতিকে ধৰি সকলো গুৰুত্বপূৰ্ণ বতৰা তথা ক্ৰীড়া জগতৰ খবৰকে ধৰি বিভিন্ন বাতৰিয়ে বিগত সপ্তাহত আকাশবাণীৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰে।

মুখ্যমন্ত্ৰী হিমন্ত শৰ্মাই যোৱা সোমবাৰে অৰুণোদয় আঁচনি ৰূপায়ণৰ বিভিন্ন দিশ পৰ্যালোচনা কৰে। দেশৰ কেইবাখনো ৰাজ্যই অসমৰ পৰা এই আঁচনিৰ আৰ্হি গ্ৰহণ কৰাক লৈ তেওঁ সন্তুষ্টি প্ৰকাশ কৰে। ৰাজ্যত বান নিয়ন্ত্ৰত সহায়ক হোৱাকৈ জলসম্পদ বিভাগে কেইবাটাও স্থানত জলাশয় উন্নয়নৰ উদ্দেশ্যে বিশেষ পদক্ষেপ গ্ৰহণ কৰে। সামগ্ৰী আৰু সেৱাকৰ পৰিষদৰ ৫৪ সংখ্যক বৈঠক যোৱা সোমবাৰে নতুন দিল্লীত অনুষ্ঠিত হয়। বিগত সপ্তাহত দুজন লোক মাংকি পক্সত আক্ৰান্ত হোৱাৰ কথা পোহৰলৈ আহে। কেন্দ্ৰীয় চৰকাৰে এম-পক্স অথবা মাংকি পক্সত আক্ৰান্ত সন্দেহ কৰা লোকসকলৰ নিৰীক্ষণ আৰু পৰীক্ষাৰ বাবে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহলৈ বিশেষ নিৰ্দেশনা জাৰি কৰে।

শিলচৰৰ অসম বিশ্ববিদ্যালয়ে বিশিষ্ট সাহিত্যিক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৰংবং টেৰাঙলৈ ডীলীট সন্মান আগবঢ়ায়। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ অধীনৰ বিশ্ববিদ্যালয়সমূহলৈ গৱেষণা আৰু উন্নয়নৰ বাবে দিয়া ধন, সামগ্ৰী আৰু সেৱা কৰ অৰ্থাৎ জি এছ টিৰ পৰা ৰেহাই দিয়া হ'ব বুলি কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে ঘোষণা কৰে। ৰাজ্যৰ ৪ হাজাৰ ৮৫৪গৰাকী ঠিকাভিত্তিক শিক্ষকৰ চাকৰি নিয়মীয়াকৰণ প্ৰক্ৰিয়া যোৱা মঙৰবাৰৰ পৰা আৰম্ভ হয়। গুৱাহাটী উচ্চ ন্যায়ালয়ে কামৰূপ জিলাৰ অন্তৰ্গত দক্ষিণ কামৰূপ, পলাশবাৰী অঞ্চলত একাংশ প্ৰতিষ্ঠানে কৃষিভূমি, জলাশয় আদি পুতি অবৈধভাৱে অট্টালিকা নিৰ্মাণ কৰাৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰে।

তিনিচুকীয়া জিলাৰ ডিগবৈ মহাবিদ্যালয়ে বিগত সপ্তাহত স্বতন্ত্ৰ মহাবিদ্যালয়ৰ মৰ্যদা লাভ কৰে। বিগত সপ্তাহত ৰাজ্যপালে ১৪গৰাকী মন্ত্ৰীক বিভিন্ন জিলাৰ অভিভাৱক মন্ত্ৰী হিচাপে দায়িত্বৰ সালসলনি কৰে। ব্ৰহ্মপুত্ৰ উপত্যকা সাৰ নিগমক পুনৰুজ্জীৱিতকৰণৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই যোৱা মঙলবাৰে নতুন দিল্লীত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনৰ সৈতে আলোচনাত মিলিত হয়। গ্ৰামাঞ্চলত কেঁচা ঘৰ নাইকিয়া কৰিবলৈ ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব বুলি বিগত সপ্তাহত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে প্ৰকাশ কৰে। নিযুক্তি পৰীক্ষাত অসৎ উপায় প্ৰতিৰোধ কৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে অসম লোক পৰীক্ষা (নিযুক্তি প্ৰক্ৰিয়াত অসৎ উপায় প্ৰতিৰোধী ব্যৱস্থা) আইন ২০২৪ গ্ৰহণ কৰে।

কেন্দ্ৰীয় চৰকাৰে দেশৰ অতিৰিক্ত ২ কোটি পৰিয়ালক বাসগৃহ প্ৰদানৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গ্ৰামীণ আঁচনিখনৰ ম্যাদ আৰু পাঁচ বছৰৰ বাবে বৃদ্ধি কৰা বুলি বিগত সপ্তাহত সদৰি কৰে। নাগালেণ্ড চৰকাৰে ছুম'কেডিমা, নিউলেণ্ড আৰু ডিমাপুৰ জিলাত ইনাৰলাইন পাৰ্মিট প্ৰৱৰ্তন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ কথা বিগত সপ্তাহত সদৰি কৰে। আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত আয় নিৰ্বিশেষে ৭০ বছৰ আৰু তাৰ উৰ্দ্ধৰ বয়সৰ সকলো নাগৰিকক সামৰি লোৱা হ'ব বুলি বিগত সপ্তাহত চৰকাৰে ঘোষণা কৰে। বিগত সপ্তাহত ৰাজ্য চৰকাৰে তৃতীয় আৰু চতুৰ্থ বৰ্গৰ নিযুক্তি পৰীক্ষা আয়োজনৰ বাবে সকলো প্ৰস্তুতি অব্যাহত ৰাখে। উত্তৰ পূব সীমান্ত ৰেলৱেই পৰিক্ষাৰ্থীসকলৰ সুবিধাৰ বাবে অতিৰিক্ত ১২খন ৰেলৰ ব্যৱস্থা কৰে। গুৱাহাটী মহানগৰীৰ সমীপৱৰ্ত্তী সোণাপুৰৰ কচুতলিত ভূমি উচ্ছেদক কেন্দ্ৰ কৰি উদ্ভৱ হোৱা পৰিস্থিতিত দুজন লোক নিহত হয়। ইপিনে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সোণাপুৰৰ অনাহুত পৰিস্থিতি সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে ঠাইখনত অবৈধভাৱে বসতি স্থাপন কৰাৰ আঁৰত এটা দালাল চক্ৰই কাম কৰি থকাৰ তথ্য পোহৰলৈ আহিছে। আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙে যোৱা শুকুৰবাৰে ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। ইপিনে, অসম সত্ৰ মহাসভাই সত্ৰৰ ভূমি দখলমুক্ত কৰাৰ বাবে ৰাজ্য চৰকাৰক আহ্বান জনায়। ৰাজ্যত শেহতীয়াকৈ অবৈধ ট্ৰেডিং সম্পৰ্কীয় অপৰাধৰ অভিযোগ উত্থাপিত হোৱাৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰীয়ে জনসাধাৰণক ভুৱা অনলাইন ষ্টক মাৰ্কেট ব্যৱসায়ত বিনিয়োগ নকৰিবলৈ আহ্বান জনায়। কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ে দেশত গ্লোবেল নেভিগেচন ছেটেলাইট চিষ্টেম, জি এন এছ এছ অনুসৰি আৰম্ভ হোৱা টোল সংগ্ৰহৰ নতুন নিয়মাৱলী বিগত সপ্তাহত প্ৰকাশ কৰে। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা বোৰ্ডৰ অধ্যক্ষ হিচাপে অৱসৰপ্ৰাপ্ত আই এছ বিষয়া ৰমেশ চান্দ জৈন আৰু উপাদ্যক্ষ হিচাপে ৰুক্ম গোঁহাই বৰুৱাই যোৱা শুকুৰবাৰে শপত গ্ৰহণ কৰে। একেদিনাই নিৰ্বাচন সম্পৰ্কীয় বিভিন্ন বিষয়ৰ প্ৰচাৰৰ সহায় হোৱাকৈ তথা ভোটদাতাক আকৰ্ষিত কৰাৰ উদ্দেশ্যে ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ত দুটা শুভংকৰ আৰু এটা ল'গ' মুকলি কৰা হয়। অনিয়ন্ত্ৰিত জমা ধন আৰু অবৈধ ট্ৰেডিং কেলেংকাৰি সংক্ৰান্তীয় ৰাজ্যৰ বিভিন্ন আৰক্ষী চকীত ৰুজু হোৱা সকলো ধৰণৰ গোচৰ তদন্তৰ ভাৰ চি বি আইক অৰ্পণ কৰাৰ বাবে অসম মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰে। ফ্ৰান্সৰ প্ৰযুক্তি কোম্পানী ডাচল্টে অসমত ২০০ কোটি টকা বিনিয়োগৰ সিদ্ধান্ত গ্ৰহণ কৰে। ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণৰ নিৰ্দেশ মৰ্মে ৰাজ্যত কালি ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হয়।

সৰ্বভাৰতীয় ফুটবল ফেডাৰেশ্যনৰ উদ্যোগত যোৰহাট ষ্টেডিয়ামত অনুষ্ঠিত চাব জুনিয়ৰ ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতা যোৱা বুধবাৰে অসম ৰাজ্যিক ফুটবল দলে তেলেংগানা দলক পৰাস্ত কৰে। এয়া আছিল বিগত সপ্তাহত আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰা মুখ্য বাতৰিত চমু অৱলোকন।

০০০০০০০

সমাপ্ত০০০০

সমাপ্ত